# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 12-04-2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***

- - - - - - - - - - - - - -

অসমীয়াৰ হেঁপাহৰ ৰঙালী বিহুলৈ এদিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি জনসাধাৰণে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। কাইলৈ বিহুৰ উৰুকা। পৰহিলৈ ৰাজ্যখনৰ জনসাধাৰণে গোধনৰ শ্ৰীবৃদ্ধি কামনাৰে গৰু বিহু পালন কৰিব। মঙলবাৰে অসমীয়া নৱবৰ্ষৰ প্ৰথমটো দিনত হেঁপাহৰ বিহুৱান লৈ বছৰটোৰ বাবে ৰাজ্যবাসীয়ে পৰস্পৰৰ কুশল কামনা কৰিব। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বিহু উপলক্ষে উৎসৱ মুখৰ পৰিৱেশ সৃষ্টি হোৱাৰ লগতে জনসাধাৰণ অসমীয়া নৱবৰ্ষক পৰম্পৰাগত ৰীতি-নীতিৰে আদৰিবলৈ সাজু হৈছে। গাঁৱে-ভূঞে, চহৰে-নগৰে ৰঙালী বিহুক লৈ উৎসাহ-উদ্দীপনাৰ পৰিবেশে বিৰাজ কৰিছে। ইফালে বিহুৰ বতৰতে অসমৰ গামোচাৰ চাহিদা যথেষ্ট বৃদ্ধি পাইছে। গুৱাহাটী মহানগৰীৰ প্ৰান্তে প্ৰান্তে গামোচাৰ বিপণী মুকলি কৰা হৈছে। মহানগৰীৰ বিভিন্ন বজাৰত প্ৰয়োজনীয় মাখিয়তি, দীঘলতি, থেকেৰা, বৰবেঙেনা, পানীলাও, হালধি আদি উপলব্ধ হৈছে। অনুৰূপ ধৰণে ফাঁচী বজাৰ, গণেশগুৰি, পল্টন বজাৰ আৰু বিভিন্ন শ্বপিংমলত কাপোৰ ক্ৰয় কৰাৰ বাবে গ্ৰাহকৰ ভিৰ পৰিলক্ষিত হৈছে।

বিগত বৰ্ষৰ দৰে ব'হাগক আদৰিবলৈ এইবাৰো সদৌ গুৱাহাটী ছাত্ৰ সন্থাই গৰু বিহুৰ দিনা জজ খেলপথাৰত মুকলি বিহুৰ আয়োজন কৰিছে।

ঐতিহ্যমণ্ডিত গুৱাহাটী বিহু সন্মিলনীয়ে পৰহিলৈৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে লতাশিল খেলপথাৰত ৰঙালী বিহুৰ আয়োজন কৰিছে। গুৱাহাটীৰ বেলতলা বিহু উদযাপন সমিতিয়ে এইবছৰো অহা ২৪ এপ্ৰিলৰ পৰা তিনিদিনীয়াকৈ বেলতলা বিদ্যালয় খেল পথাৰত ৪৮ সংখ্যক ব'হাগী উৎসৱৰ আয়োজন কৰিছে। এইবেলি বিহু উদ্‌যাপন সমিতিৰ সৰ্বোচ্চ সন্মান ডঃ ভূপেন হাজৰিকা বঁটা কণ্ঠশিল্পী জুবিন গাৰ্গক প্ৰদান কৰা হ'ব। তদুপৰি ৰাজ্যৰ বিভিন্ন বিহুমঞ্চত শ্ৰেষ্ঠত্ব অৰ্জন কৰা বিহুৱতীসকলৰ মাজত প্ৰতিযোগিতা অনুষ্ঠিত কৰি পাটমাদৈ বঁটা প্ৰদান কৰা হ'ব। তিনিদিনীয়া কাৰ্যসূচীত হুঁচৰি, সাংস্কৃতিক সন্ধিয়া আৰু ১০ গৰাকী জ্যেষ্ঠ শিল্পীৰ সংগীতানুষ্ঠান অনুষ্ঠিত হ'ব।

নগাঁৱৰ শিক্ষানুষ্ঠান নৱৰূপ জাতীয় বিদ্যাপীঠ আৰু নৱৰূপ কণিষ্ঠ মহাবিদ্যালয়ৰ উদ্যোগত আজি ৰঙালী বিহু আদৰণি উৎসৱ অনুষ্ঠিত হয়। ৰাজ্যৰ বহু শিক্ষানুষ্ঠানত আজি শিক্ষাৰ্থীসকলক ৰঙালী বিহুৰ পৰম্পৰাৰ সৈতে পৰিচিত কৰোৱাৰ উদ্দেশ্যে এনেধৰণৰ উৎসৱৰ আয়োজন কৰা হয়। ৰাজ্যৰ বিভিন্ন জিলাত জনসাধাৰণে বিহুৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে।

০০০০

উত্তৰ-পূৰ্ব সীমান্ত ৰেলৰে পাৰিপাৰ্শ্বিক সমতা অক্ষুন্ন ৰখাৰ লগতে নৱীকৰণযোগ্য শক্তি আহৰণৰ দিশত গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে গুৱাহাটীৰ উজানবজাৰৰ জল পৰিবহন প্ৰকল্পত ৩০৬ দশমিক ৯ কিলোৱাট পিক শক্তিসম্পন্ন সৌৰশক্তি প্ৰকল্প স্থাপন কৰিছে। উত্তৰ পূৰ্ব সীমান্ত ৰেলৰেৰ মহা প্ৰৱন্ধক চেতন কুমাৰ শ্ৰীবাস্তৱৰ নেতৃত্বত এই প্ৰকল্পতো উদ্বোধন কৰা হয়। এই অত্যাধুনিক সৌৰ প্ৰকল্পটোৱে দৈনিক গড়ে ৯২৮ ইউনিট বিদ্যুৎ উৎপাদন কৰিব পাৰিব। ইয়াৰ ফলত প্ৰতিবছৰে ৩০ লাখ টকা ৰাহি হ'ব বুলি আশা কৰা হৈছে। ২ কোটি ৪৮ লাখ টকা ব্যয় সাপেক্ষ এই প্ৰকল্পট যোৱা ৭ মাৰ্চত সম্পূৰ্ণ কৰি ১০ এপ্ৰিলত মুকলি কৰা হয়। উজানবজাৰ জল পৰিবহন প্ৰকল্প পৰিচালনাৰ বাবে সংস্থাপন কৰা বৈদ্যুতিক প্ৰণালীৰ জৰিয়তে নিৰৱচ্ছিন্ন শক্তি বিতৰণ আৰু পৰিচালন নিশ্চিত কৰা হৈছে।

০০০০

শিৱসাগৰ নগৰৰ ষ্টেচন চাৰিআলিৰ টাই-আহোম সংস্কৃতি বিকাশ কেন্দ্ৰৰ প্ৰাংগণত ৪ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা অসমী ব'হাগী মেলাৰ আজি সামৰণি পৰে। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান শিৱসাগৰ জিলা অভিযান পৰিচালনা শাখাৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত এই মেলাৰ আয়োজন কৰা হৈছিল। এই মেলাত জিলাখনৰ ৫টা উন্নয়ন খণ্ডৰ আত্মসহায়ক গোটৰ মহিলাসকলে উৎপাদন কৰা বিভিন্ন সামগ্ৰীৰ প্ৰদৰ্শন আৰু বিক্ৰীৰ ব্যৱস্থা কৰা হৈছিল। সেই অনুসৰি ৫টা উন্নয়ন খণ্ডৰ আত্মসহায়ক গোটৰ মুঠ ৩০ খন বিপণীয়ে অংশগ্ৰহণ কৰে। ৰঙালী বিহুৰ প্ৰতি লক্ষ্য ৰাখি লাড়ু-পিঠাৰ লগতে থলুৱা শিপিনীয়ে প্ৰস্তুত কৰা সাজপাৰ আৰু জৈৱিক শাক-পাচলি উপলব্ধ হৈছিল।

০০০০

নগাঁও জিলাত দ্বিতীয় পৰ্যায়ত তথা অহা ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত জিলাখনত অস্ত্ৰৰ অনুজ্ঞাপত্ৰ থকা সকলো লোককে আগ্নেয়াস্ত্ৰসমূহ জমা দিয়াৰ নিৰ্দেশ দিয়া হৈছে। নগাঁও জিলা আয়ুক্ত তথা দণ্ডাধীশ নৰেন্দ্ৰ কুমাৰ শ্বাহে অনুজ্ঞাপত্ৰসহ আগ্নেয়াস্ত্ৰসমূহ সংশ্লিষ্ট থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ হাতত জমা দিবলৈ নিৰ্দেশ দিছে। আগ্নেয়াস্ত্ৰসমূহ জমা দিয়াত বিলম্ব কৰিলে বা জমা নিদিলে তেওঁলোকৰ বিৰুদ্ধে আইন অনুসৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও নিৰ্দেশনাটোত উল্লেখ আছে। অনুজ্ঞাপত্ৰ থকা আগ্নেয়াস্ত্ৰসমূহ পঞ্চায়ত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ ৭ দিনৰ পাছত গৰাকীয়ে সংশ্লিষ্ট থানাৰ পৰা ঘূৰাই ল'ব পাৰিব।

০০০০

তিনিচুকীয়া জিলাৰ চৰকাৰী অধিবক্তা অশোক কুমাৰ চুবেক তাৎক্ষণিকভাৱে অব্যাহতি দিয়া হৈছে। অধিবক্তাগৰাকীৰ হাতত থকা সকলো নথি-পত্ৰ অতিৰিক্ত চৰকাৰী অধিবক্তাৰ হাতত অৰ্পণৰ বাবে নিৰ্দেশ দিয়া হৈছে। ৰাজ্য চৰকাৰৰ ন্যায়িক বিভাগে তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ এই নিৰ্দেশনা জাৰি কৰিছে। উল্লেখযোগ্য যে অধিবক্তা অশোক কুমাৰ চুবেৰ বিৰুদ্ধে বহু সময়ত বক্ৰপথ গ্ৰহণ কৰাৰ অভিযোগ উত্থাপিত হৈ আহিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ

000 000 000 000
000 000 000 000